■ **প্ৰতিষ্ঠানিক পৰিকল্পনাৰ প্ৰয়োজনীয়তা বা সুবিধাসমূহ (Advantages/ Needs/Importance of Institutional planning) ঃ** প্ৰতিষ্ঠানিক পৰিকল্পনা যদিও অতি নতুন ধাৰণা নহয়, তথাপি বিভিন্ন সুবিধাসমূহৰ কাৰণে বৰ্তমান সময়ত ইয়াৰ জনপ্ৰিয়তা বৃদ্ধি পোৱা দেখা যায়। গতিকে প্ৰতিষ্ঠানিক পৰিকল্পনাৰ গুৰুত্বপূৰ্ণ দিশ বা প্ৰয়োজনীয়তাবোৰ আমি তলত দিয়া ধৰণে আলোচনা কৰিব পাৰো—

**১। শিক্ষাৰ মান উন্নত কৰে (Improves the standard of Education) ঃ** সাধাৰণতে শিক্ষানুষ্ঠান এখনে প্ৰদান কৰা শিক্ষাৰ গুণগত দিশটো নিৰ্ভৰ কৰে শিক্ষানুষ্ঠানখনৰ সামগ্ৰিক মানৰ ওপৰত। অতি সম্প্ৰতি আমাৰ স্কুল-কলেজসমূহত প্ৰচলিত শিক্ষাৰ গুণগত মানক লৈ সাধাৰণ ৰাইজ সততেই অসন্তুষ্ট হোৱা দেখা যায়। এনে ক্ষেত্ৰত প্ৰতিষ্ঠানিক পৰিকল্পনা দীৰ্ঘকালীন সময়ৰ বাবে গ্ৰহণ কৰিলে আৰু তাৰ যথাযথ কাৰ্যকৰণে শিক্ষাৰো গুণগত মান স্বাভাৱিকতে বৃদ্ধি কৰি তোলে।

**২। শিক্ষাদান পদ্ধতিৰ উন্নতি সাধন (Improves Institutional Methods) ঃ** প্ৰতিষ্ঠানিক পৰিকল্পনাই বিদ্যালয়ৰ সৰ্বোতমুখী বিকাশ সাধনৰ ওপৰত গুৰুত্ব দি শিক্ষাদান পদ্ধতিক অধিক উন্নত কৰি তোলাৰ প্ৰচেষ্টা চলায়। বিদ্যালয় চৌহদৰ উন্নতি সাধন, শ্ৰেণী পৰিৱেশৰ উন্নতি সাধন, উন্নত শিক্ষাৰ সঁজুলিৰ প্ৰয়োগ আৰু উন্নত শিক্ষাদান পদ্ধতি গ্ৰহণৰ বাবে প্ৰতিষ্ঠানিক পৰিকল্পনা প্ৰস্তুত কৰিব লাগে।

**৩। সম্পদসমূহৰ সদ্ব্যৱহাৰ (Better utilisation of Resources) ঃ** শিক্ষানুষ্ঠান এখনে নিজৰ তৃণমূল পৰ্যায়ত গ্ৰহণ কৰা পৰিকল্পনাৰ ধাৰণাই শিক্ষানুষ্ঠানখনৰ সম্পদসমূহৰ যথাযোগ্য ব্যৱহাৰৰ ওপৰত স্বাভাৱিকতেই লক্ষ্য নিৰ্ধাৰণ কৰে আৰু পৰোক্ষভাৱে শিক্ষানুষ্ঠানখনৰ প্ৰগতি সম্ভৱ হয়।

**৪। শিক্ষকৰ সক্ৰিয় অংশগ্ৰহণ (Active Participation of Teachers)**

Scanned with CamScanner

ঃ প্ৰতিষ্ঠানিক পৰিকল্পনাৰ যোগেদি সকলো শিক্ষকে সক্ৰিয় অংশগ্ৰহণ কৰি অনুষ্ঠান এখনৰ ভাল ফলাফল কঢ়িয়াই অনাত সাধ্যানুসৰি প্ৰচেষ্টা অব্যাহত ৰাখে। যিহেতু শিক্ষকসকলে পৰিকল্পনা প্ৰস্তুত কৰোঁতে আগভাগ লয়, তেনেস্থলত নিজৰ দ্বাৰা গ্ৰহণ কৰা পৰিকল্পনাক বাস্তৱ ৰূপ প্ৰদান কৰাৰ ক্ষেত্ৰতো আগভাগ ল'ব বুলি আশা কৰিব পাৰি।

**৫। বৃত্তিগত সন্তুষ্টি লাভ (Job Satisfaction for the Teacher) ঃ** কম-বেছি পৰিমাণে সকলো শিক্ষকে শিক্ষা প্ৰদান কৰা দায়িত্ব পালন কৰাৰ উপৰি নিজৰ দৃষ্টিশীল আৰু মৌলিক ক্ষমতাসমূহৰ বিকাশৰ প্ৰতি আগ্ৰহী। শিক্ষানুষ্ঠান এখনে গ্ৰহণ কৰা প্ৰতিষ্ঠানিক পৰিকল্পনাৰ যোগেদি শিক্ষকসকলে নিজকে জড়িত কৰাই সৃষ্টিশীল কাম-কাজসমূহক বাস্তৱ ৰূপ প্ৰদান কৰাত সম্পূৰ্ণ সুবিধা লাভ কৰে।

**৬। স্বাধীনতা বা স্বায়ত্তশাসন লাভ কৰে (Ensures Autonomy) ঃ** প্ৰতিষ্ঠানিক পৰিকল্পনাৰ মাধ্যমত শিক্ষানুষ্ঠান এখনক প্ৰয়োজন অনুসৰি বাঞ্ছিত লক্ষ্যত উপনীত কৰাব পাৰি। শিক্ষানুষ্ঠানখনৰ বিশিষ্ট লক্ষ্য-উদ্দেশ্যসমূহে স্বাধীনভাৱে স্বায়ত্তশাসনৰ যোগেদি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰি পূৰণ কৰিব পাৰে।

**৭। সুস্থিৰতা প্ৰদান কৰে (Gives Stability) ঃ** যিকোনো ধৰণৰ অনুষ্ঠান বা প্ৰতিষ্ঠানখনৰ উন্নতিবৰ্ধক কাম-কাজৰ বাবে সুস্থিৰ অৱস্থা এটাৰ প্ৰয়োজনীয়তা আছে। শিক্ষানুষ্ঠান এখনতো বাস্তৱ পৰিকল্পনা গ্ৰহণৰ যোগেদি শৈক্ষিক কাম-কাজসমূহ পৰিচালনা কৰিলে স্বাভাৱিকতেই তাত সুস্থিৰতাই বিৰাজ কৰিব। গতিকে সুস্থিৰ অৱস্থাৰ প্ৰয়োজনীয় চৰ্ত হিচাপে প্ৰতিষ্ঠানিক পৰিকল্পনাৰ কথা প্ৰথমেই উল্লেখ কৰিব পাৰি।

**৮। সমস্যা সমাধানত সহায় কৰে (Helps in Solving Problems) ঃ** শৈক্ষিক ব্যৱস্থাপনা সদায় বিভিন্ন ধৰণৰ উপাদানৰ দ্বাৰা প্ৰভাৱিত হয় আৰু ইয়াৰ ভিতৰত আটাইতকৈ বেছি প্ৰভাৱ বিস্তাৰকাৰী উপাদানটো হ'ল ব্যক্তিত্বৰ ভিন্নতা আৰু পৰিবৰ্তনশীল পৰিস্থিতি বা পৰিৱেশ। এনেবোৰ কাৰণতে শিক্ষানুষ্ঠান এখনে আশা কৰা ধৰণে শৈক্ষিক কাম-কাজসমূহ পালন কৰিব নোৱাৰে আৰু বিভিন্ন সমস্যাৰ সন্মুখীন হয়। প্ৰতিষ্ঠানিক পৰিকল্পনাই এনেধৰণৰ সমস্যাসমূহ সমাধান কৰাত সহায় কৰি শিক্ষা ব্যৱস্থাপকগৰাকীৰ কৰ্মপদ্ধতি সহজ কৰি তোলে।

**৯। ভৱিষ্যতৰ উন্নতি সাধন কৰে (Secures future progress) ঃ** পৰিকল্পনা যিহেতু সদায় অগ্ৰগতি সাপেক্ষ, গতিকে ই ভৱিষ্যতৰ উন্নতি সাধনৰ কাৰণে হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন উভয় ধৰণৰ পৰিকল্পনা প্ৰস্তুত কৰি অবিৰতভাৱে সহায়ৰ

Scanned with CamScanner

হাত আগবঢ়াব পাৰে। প্ৰতিষ্ঠানিক পৰিকল্পনাৰ লগত জড়িত ব্যক্তিসকলে আত্মত্যাগ, আত্মসহায় আৰু আত্মপ্ৰচেষ্টাৰ যোগেদি শিক্ষানুষ্ঠানখনক ভৱিষ্যতে উন্নতিৰ পথত আগুৱাই নিয়াৰ পোষকতা কৰে।

**১০। স্থানীয় ৰাইজৰ কাৰণেও সহায়ক (Beneficial to the local community) ঃ** প্ৰতিষ্ঠানিক পৰিকল্পনা স্থানীয় অঞ্চল বা ৰাইজৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি প্ৰস্তুত কৰিলে ৰাজনৈতিক হেঁচাৰ পৰা বহুতো সময়ত শিক্ষানুষ্ঠান এখন মুক্ত হৈ থাকিব পাৰে। শিক্ষক আৰু শিক্ষা ব্যৱস্থাপকসকলে পৰিকল্পনা প্ৰস্তুত কৰাৰ বেলিকা এই কথাটোৰ ওপৰত গুৰুত্ব দিয়া উচিত।

**১১। সাধাৰণ পৰিকল্পনাৰ কাৰণেও সহায়ক (Contributes to General Planning) ঃ** প্ৰতিষ্ঠানিক পৰিকল্পনাই কেৱল অনুষ্ঠান এখনৰ উন্নতি সাধনতেই লক্ষ্য নিৰ্ধাৰণ নকৰে, ই এটা অঞ্চলৰ অন্যান্য স্থানীয় অনুষ্ঠানসমূহৰ সাধাৰণ পৰিকল্পনা গ্ৰহণ কৰোঁতেও অৱদান আগবঢ়ায়। সুদূৰপ্ৰসাৰী চিন্তা-চৰ্চাৰে কৰ্মদক্ষ ব্যৱস্থাপকে প্ৰতিষ্ঠানিক পৰিকল্পনা প্ৰস্তুত কৰি জিলা পৰ্যায়, ৰাজ্যিক পৰ্যায় অথবা ৰাষ্ট্ৰীয় পৰ্যায়তো সাধাৰণ পৰিকল্পনাবোৰ গ্ৰহণ কৰাত অভূতপূৰ্ব অৰিহণা আগবঢ়াব পাৰে।

Scanned with CamScanner